**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-05-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

--------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ ৱিঝিঞ্জামত গভীৰ সমুদ্ৰত জাহাজ চলাচলৰ বাবে নিৰ্মাণ কৰা আন্তঃৰাষ্ট্ৰীয় বহুমুখী বন্দৰটো ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰে।

২। ৱেভছ সন্মিলন ২০২৫ৰ অংশ হিচাপে আজি পুৱা মুম্বাইৰ জিঅ' ৱাৰ্ল্ড কনভেচন কেন্দ্ৰত সংবাদ সেৱা বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় বৈঠক অনুষ্ঠিত হৈছে।

৩। অসমৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

৪। বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰী পীয়ুষ গোৱেল আৰু বাণিজ্য আৰু অৰ্থনৈতিক সুৰক্ষা বিভাগৰ ইউৰোপীয় আয়ুক্ত মাৰোশ্ ছেভচ্চোৱিচে চলিত বৰ্ষৰ শেষৰ ভাগলৈ **ভাৰত ইউৰোপীয় সংস্থা মুক্ত বাণিজ্য চুক্তিক** চূড়ান্ত ৰূপ দিয়া হ'ব বুলি দোহাৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ছানৰাইৰ্াছ হায়দৰাবাদৰ বিৰুদ্ধে খেলিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ ৱিঝিঞ্জামত গভীৰ সমুদ্ৰত জাহাজ চলাচলৰ বাবে নিৰ্মাণ কৰা আন্তঃৰাষ্ট্ৰীয় বহুমুখী বন্দৰটো ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে, এই বন্দৰটোক দেশৰ সামুদ্ৰিক পথৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰে। ইয়াৰ জৰিয়তে দেশৰ অৰ্থনৈতিক স্থিৰতাৰ প্ৰতি উল্লেখনীয় বৰঙণি আগবঢ়োৱাৰ লগতে কেৰালা তথা সমগ্ৰ দেশৰ উপকাৰ সাধন হ'ব বুলি মত প্ৰকাশ কৰি এই বন্দৰটোক তেওঁ নতুন যুগৰ উন্নয়নৰ উল্লেখনীয় আৰ্হি হিচাপে অভিহিত কৰে। বন্দৰটোৰ পৰিচালন ভৱন পৰিদৰ্শন কৰি নিয়ন্ত্ৰণ ব্যৱস্থাৰ বুজ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে ৱিঝিঞ্জাম বন্দৰৰ জৰিয়তে জাহাজ পৰিবহণৰ সামৰ্থ্য পৰৱৰ্তী সময়ত তিনিগুণ বৃদ্ধি পাব বুলিও উল্লেখ কৰে।

অনুষ্ঠানত ভাষণ দি কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায়ি ৱিজয়নে কয়, যে ৱিঝিঞ্জাম বন্দৰে তৃতীয় সহস্ৰাব্দৰ উন্নয়নৰ সম্ভাৱনাৰ এখন দুৱাৰ মুকলি কৰিলে। আজিৰ এই অনুষ্ঠানত কেৰালাৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ, কেন্দ্ৰীয় মন্ত্ৰী সুৰেশ গোপী, জৰ্জ কুৰিয়েনৰ লগতে ৰাজ্যখনৰ বহু কেইগৰাকী মন্ত্ৰী, সাংসদ আৰু বিধায়কেও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ৱিঝিঞ্জাম বন্দৰটো ৰাজহুৱা-ব্যক্তিগতখণ্ডৰ সহযোগিতাৰে ৮ হেজাৰ ৯০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে।

০০০০০০

ৱেভছ্ সন্মিলন ২০২৫ৰ অংশ হিচাপে আজি পুৱা মুম্বাইৰ জিঅ' ৱাৰ্ল্ড কনভেচন কেন্দ্ৰত সংবাদ সেৱা বিষয়ক এখন আন্তঃৰাষ্ট্ৰীয় বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠক তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ উদ্যোগত আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত অনুষ্ঠিত হৈছে।

*(মনতাজ)*

মুম্বাইৰ জিঅ' বিশ্ব অভিৰ্ৱতন কেন্দ্ৰত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ-২০২৫ উদ্বোধন কৰে। অভিনেতা আমিৰ খানে আজি এই সন্মিলনত উপস্থিত থাকি কয়, যে ভাৰতত জনসাধাৰণৰ বিপৰীতে চলচ্চিত্ৰ গৃহৰ সংখ্যা কম। তেওঁ কয়, যে ভাৰতত কৈ আমেৰিকা যুক্তৰাষ্ট্ৰত জনসংখ্যা কম যদিও চলচ্চিত্ৰ গৃহৰ সংখ্যা যথেষ্ট বেছি।

দেশে ছবি নিৰ্মাণ, ডিজিটেল বিষয়বস্তুৰ প্ৰস্তুতি, গেমিং, ফেশ্বন, সংগীত আৰু লাইভ সংগীতানুষ্ঠানৰ ক্ষেত্ৰসমূহত বিশ্বস্তৰৰ কেন্দ্ৰ হিচাপে আগবাঢ়িবলৈ সক্ষম হৈছে। বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন ২০২৫ৰ শুভাৰম্ভ কৰি কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এনেদৰে কয়। তেওঁ লগতে উল্লেখ কৰে যে, বৰ্তমানৰ এনিমেশ্যনৰ বিশ্বৰ বজাৰখনৰ মূল্য ৪৩০ বিলিয়ন ডলাৰতকৈও অধিক আৰু অহা ১০ বছৰৰ ভিতৰত এই বজাৰখনৰ মূল্য বাঢ়ি দুগুণ হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। সেয়েহে ইয়াৰ লগতে ভাৰতৰ এনিমেশ্যন আৰু গ্ৰাফিক্স উদ্যোগেও যথেষ্ট সুযোগ গ্ৰহণ কৰিব পাৰিব। তেওঁ এই উদ্যোগৰ অংশীদাৰসকলক আন্তৰ্জাতিকভাৱে এই সম্প্ৰসাৰণৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। শ্ৰী মোদীয়ে উল্লেখ কৰে যে, ৱেভ কেৱল এখন সন্মিলনেই নহয়, ই সংস্কৃতি, সৃজনীশীলতা আৰু বিশ্ব সংযোগৰ প্ৰতিনিধিস্বৰূপ। ভাৰতৰ সৃষ্টিশীলতাৰ অৰ্থনীতিৰ ওপৰত জোৰ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে অনাগত সময়ত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ বৃদ্ধিৰ ক্ষেত্ৰতো ই বিশেষ ভূমিকা পালন কৰিব। তেওঁ লগতে উল্লেখ কৰে যে, ৱেভ সন্মিলনৰ জৰিয়তে ১০০ খনতকৈও অধিক দেশৰ শিল্পী, উদ্ভাৱক, বিনিয়োগকাৰী আৰু নীতি প্ৰস্তুতকাৰীসকলে এখন মঞ্চত লগ হ'বলৈ সুয়োগ পাইছে।

*(মনতাজ)*

০০০০০০

অসমৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত আজি উজনি অসম, উত্তৰ অসম আৰু বৰাক উপত্যকাৰ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত আজি চাৰে ৭ বজাত আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি চাৰে ৪ বজাত সামৰণি পৰিব। ৰাজ্যিক নিৰ্বাচন আয়োগে দিয়া তথ্য অনুযায়ী এই ১৪ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটদাতাৰ সংখ্যা ৮৯ লাখ ৬০ হাজাৰ ৫৭৭। এই জিলাকেইখনত ২১৬ টা জিলা পৰিষদ, এহেজাৰ ১৩৯ টা আঞ্চলিক পঞ্চায়ত আৰু ১১ হাজাৰ ৩৯০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ড আছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি দিনৰ চাৰে ১১ বজালৈ সামগ্ৰিকভাৱে ২৪ দশমিক ১ শতাংশ ভোটদান সম্পন্ন হৈছে।

০০০০০০

বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰী পীয়ুষ গোৱেল আৰু বাণিজ্য আৰু অৰ্থনৈতিক সুৰক্ষা বিভাগৰ ইউৰোপীয় আয়ুক্ত মাৰোশ্ ছেভচ্চোৱিচে চলিত বৰ্ষৰ শেষৰ ভাগলৈ **ভাৰত ইউৰোপীয় সংস্থা মুক্ত বাণিজ্য চুক্তিক** চূড়ান্ত ৰূপ দিয়া হ'ব বুলি দোহাৰিছে। বেলজিয়ামৰ ব্ৰুছেলছত কালি অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকৰ সময়ত, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ক্ষেত্ৰখনত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ সমাধানৰ হকে উভয় পক্ষই মত বিনিময় কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মন্ত্ৰী শ্ৰী গোৱেলে কালিৰ এই আলোচনাক অতিশয় ফলপ্ৰসূ বুলি অভিহিত কৰি কয়, যে এই বৈঠকত বাণিজ্য আৰু যোগান শৃংখলকে ধৰি উভয় পক্ষৰ অৰ্থনীতিৰ ক্ষেত্ৰত সহযোগিতাক অধিক আস্থাশীল কৰি তোলা তথা গভীৰ ৰূপ দিয়াৰ বিষয়ে আলোচনা কৰা হয়। উভয় পক্ষৰ মাজৰ এই সহযোগিতাক চুক্তিখনৰ জৰিয়তে সুদূৰ প্ৰসাৰী ৰূপ দিয়াৰ উদ্দেশ্যে উদ্ভাৱন আৰু প্ৰতিযোগিতামূলক মনোভাৱৰ ওপৰতো গুৰুত্ব আৰোপ কৰাৰ বিষয়ে বৈঠকত সহমত প্ৰকাশ কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে। সংশ্লিষ্ট অঞ্চলসমূহত সমৃদ্ধি তথা বহনক্ষম উন্নয়ন নিশ্চিত কৰাৰ উদ্দেশ্যে পৰস্পৰক উপকৃত কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰাৰ হকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভন ডেৰ লেয়েনৰ নেতৃত্বত ভাৰত আৰু ইউৰোপীয় সংস্থা উভয়ে দায়বদ্ধতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ বিজয়ৱাড়াত উপস্থিত হৈ ৰাজ্যখনৰ ৰাজধানী অমৰাৱতী পুনৰ নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ ভিন ভিন অঞ্চলৰ পৰা ৪ লাখতকৈও অধিক লোক সমবেত হ'ব বুলি আশা কৰা হৈছে। আজিৰ এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীগৰাকীয়ে অন্ধ্ৰপ্ৰদেশৰ বাবে ৫৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও পথ আৰু ৰে'ল প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

আজি সন্ধিয়া আয়োজিত এই অনুষ্ঠানত অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু আৰু উপ-মুখ্যমন্ত্ৰী কে পৱন কল্যাণকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি আকাশবাণীৰ সংবাদাতাই জানিবলৈ দিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে কৃষক সংস্থাসমূহৰ সৈতে অহা ৪ মে'ত হ'বলগীয়া প্ৰস্তাৱিত বৈঠকখন স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। ৰাজ্য চৰকাৰৰ প্ৰতিনিধিৰ অংশগ্ৰহণ অবিহনে এই বৈঠকখন ফলপ্ৰসূ নহ'ব বুলি মত পোষণ কৰি চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ যুটীয়া সচিব পূৰ্ণ চন্দ্ৰ কিষাণে কৃষক সংস্থাসমূহলৈ লিখা এখন চিঠিত কয়, যে অৰাজনৈতিক সংযুক্ত কিষাণ মৰ্চা আৰু কিষাণ মজদুৰ মৰ্চাই দাবী কৰাৰ দৰে প্ৰস্তাৱিত বৈঠকত পাঞ্জাব চৰকাৰক অন্তৰ্ভুক্ত নকৰাটো সমীচিন নহ'ব। এনে প্ৰেক্ষাপটত চৰকাৰে কৃষক সংগঠন দুটাক তেওঁলোকৰ দাবী পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে। যুটীয়া সচিবগৰাকীয়ে লগতে জানিবলৈ দিয়া মতে এই সংগঠন দুটাৰ পৰা সঁহাৰি লাভ কৰাৰ পাছত প্ৰস্তাৱিত বৈঠকখনৰ বাবে পৰৱৰ্তী দিন এটা নিৰ্ধাৰণ কৰা হ'ব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ছানৰাইৰাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱানিশা জয়পুৰৰ ছৱাই মানছিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ৰাজস্থান ৰয়েলছক ১০০ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্চাৰে সৰ্বাধিক ৩০ ৰান কৰে। মুম্বাইৰ ট্ৰেণ্ট বোল্ট আৰু কৰম শৰ্মাই তিনিটাকৈ উইকেট দখল কৰে।

oooooo

সমাপ্ত